# 2019

# ASSAMESE

## ( Elective )

Paper : 5.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) অংকীয়া নাটত কেইটা অংক থাকে ?

(খ) 'পত্নী প্ৰসাদ' নামৰ নাটখনৰ ৰচক কোন ?

(গ) অসমীয়া কোন শ্ৰেণী নাটকত নান্দী গীতৰ প্ৰয়োগ দেখা যায় ?

(ঘ) লভিতাৰ পিতাকৰ নাম কি আছিল ?

(ঙ) ইলাহি মিঞাই নিজৰ ঘৰত কাক আশ্ৰয় দিছিল ?

(চ) জগৰুৰ জীয়েকৰ নাম কি আছিল ?

(ছ) মধুৰায় বুঢ়াৰ সুখ-দুখৰ লগৰীয়া কোন আছিল ?

(জ) পমী কাৰ পত্নী আছিল?

(ঝ) 'কুনকী' হাতী কাক বোলে?

(ঞ) নিতাই কাৰ পুতেক আছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) দশৰথ কোন দেশৰ ৰজা আছিল? তেওঁৰ বৰ পুত্ৰজনৰ নাম কি আছিল?

(খ) সীতাৰ সখীয়েকসকলৰ নাম কি কি আছিল?

(গ) লভিতাৰ ঘৰ অসমৰ কোন জিলাৰ, কোন গাঁৱত আছিল?

(ঘ) বিক্ৰমে নিজৰ গাঁও এৰি কিয় জগৰুহঁতৰ গাঁৱলৈ আহিবলগীয়া হৈছিল?

(ঙ) হাতী চিকাৰত ব্যৱহাৰ কৰা 'ফান্দ' আৰু 'ফেৰা' মানে কি?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) "হে নৃপতে! তোহো পৃথিৱীক কল্পতৰু! তোহাৰ ঠাই প্ৰাৰ্থক কবহু বিমুখ নাহি হয়। ইহাক জানো ; কিন্তু হামাৰ প্ৰাৰ্থনা শুনহ।" এই কথাষাৰ কোনে, কাক কৈছিল? তেওঁ কি প্ৰাৰ্থনা কৰিছিল? তেওঁৰ প্ৰাৰ্থনা পূৰণ হ'লনে, বুজাই লিখা।

(খ) "গাঁৱৰ মানুহে কিটো ভয় কৰিব? সেইবোৰ আপোনাৰ নগৰৰ মানুহহে ভয়ত পেঁপুৱা খাই গাঁৱে গাঁৱে সোমাইছেহি।" ইয়াত কোনে, কাক ভয়ত পেঁপুৱা লগা বুলি কৈছে, ব্যাখ্যা কৰা।

(গ) "গোলাপ ককাইদেউ। গোলাপ ককাইদেউ। এৰি দিয়া-এৰি দিয়া। ময়ো পিতাইৰ লগতে মৰোঁ।" ইয়াত কোনে, কি প্ৰসংগত মৰিবলৈ বিচাৰিছিল, চমুকৈ আলোচনা কৰা।

(ঘ) জগৰুৰ পত্নীৰ নাম কি? তেওঁ ঘৰৰ পৰা কিয় নোহোৱা হৈছিল, বুজাই লিখা।

(ঙ) "তহঁত মহাজনৰ গোলাম। এইবোৰ টকা খকুৱা মানুহৰ সঁজাত নাই।" বুলি কোনে, কি প্ৰসংগত কথাখিনি কৈছিল, আলোচনা কৰা।

৪। (ক) অংকীয়া নাটকৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি আলোচনা দাঙি ধৰা। ১০

*অথবা*

(খ) অংকীয়া নাটকত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

৫। (ক) 'লভিতা' নাটকৰ নায়িকা চৰিত্ৰটিৰ মাজেৰে অসমীয়া নাৰীৰ যশস্যা আৰু খ্যাতিৰ কেনেদৰে প্ৰকাশ ঘটিছে, বিতংভাৱে আলোচনা কৰা। ১০

*অথবা*

(খ) 'লভিতা' নাটকখনৰ ৰাজনৈতিক পটভূমি বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

৬। (ক) 'হাতী আৰু ফান্দী' নাটকখনত তদানীন্তন সমাজৰ শোষণ আৰু বঞ্চনাৰ ছবিখন কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'হাতী আৰু ফান্দী' নাটকখনৰ মাজেৰে অসমত হাতী ধৰা পৰম্পৰাৰ কি চিত্ৰ অভিব্যক্ত হৈছে, বিচাৰ কৰা।

৭। (ক) 'মাদল' নাটকখনত চাহ্-জনগোষ্ঠীৰ সাংস্কৃতিক প্ৰকাৰ্যৰ কোনবোৰ উপাদান প্ৰকাশ পাইছে, বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) 'মাদল' নাটকখনৰ মাজেৰে চাহ্-জনগোষ্ঠীৰ অৰ্থনৈতিক সমস্যাবোৰ কেনেদৰে ৰূপায়িত হৈছে, আলোচনা কৰা।

★★★